**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-06-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***--------------------***

১। ৰাজ্যৰ বান পৰিস্থিতি অপৰিৱৰ্তিত। সাম্প্ৰতিক বানত ৰাজ্যখনৰ এহেজাৰ ৫০৬ খন গাঁৱৰ ১৪ হাজাৰ ৭৩৯ হেক্টৰৰো অধিক কৃষিভূমি প্লাৱিত।

২। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ অনুসৰি ৰাজ্যৰ ১০৫ খন প্ৰাথমিক বিদ্যালয়ত ৰাভা ভাষাৰ মাধ্যম প্ৰৱৰ্তন।

৩। ড০ ভূপেন হাজৰিকাৰ বছৰজোৰা জন্ম শতবাৰ্ষিকী উদযাপন সন্দৰ্ভত আজি মুখ্যমন্ত্ৰীৰ সভাপতিত্বত প্ৰথমখন বৈঠক।

৪। বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি এক পেড় মা কে নাম কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাইলৈ বিদ্যালয়সমূহত গছপুলি ৰোপণৰ নিৰ্দেশ। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ প্ৰথমবাৰৰ বাবে খিতাপ জয়।

০০০০০০

যোৱা দুদিন ধৰি ৰাজ্যত বতৰ ফৰকাল হৈছে যদিও ২১ খন জিলাৰ ৬ লাখ ৩৩ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। সাম্প্ৰতিক বানত ৰাজ্যখনৰ এহেজাৰ ৫০৬ খন গাঁৱৰ ১৪ হাজাৰ ৭৩৯ হেক্টৰৰো অধিক কৃষিভূমি প্লাৱিত হৈছে। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ২২৩ টা আশ্ৰয় শিবিৰত ৩৯ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। ৰাজ্যখনত সাম্প্ৰতিক বানত কমেও ১৯ জন লোকে প্ৰাণ হেৰুৱাইছে। যোৱা ২৪ ঘণ্টাত হাইলাকান্দি, শ্ৰীভূমি, মৰিগাঁও, কাছাৰ, শোণিতপুৰ আৰু তিনিচুকীয়া জিলাত এজনকৈ লোকৰ বানৰ ফলত মৃত্যু হয়। এই সময়ছোৱাত ২ লাখৰো অধিক পশুধনৰো ক্ষতি হৈছে। এছ ডি আৰ এফ আৰু এন ডি আৰ এফে কেইবাখনো জিলাত উদ্ধাৰ অভিযান চলাই আছে। নগৰাঞ্চলত হোৱা বানৰ ফলত কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ ১৫ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। প্ৰশাসনে স্থাপন কৰা দুটা আশ্ৰয় শিবিৰত ৪৬৪ জন লোকে আশ্ৰয় লৈ আছে।

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি বান পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে কাচাৰ জিলাত উপস্থিত হৈ ছটা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰে। তেওঁ লগতে বানপীড়িতসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ কয় যে বৰাক নদী যদিও বিপদসীমাৰ ওপৰেৰে বৈ আছে এতিয়ালৈকে কোনো ঠাইতে মথাউৰি চিগা নাই। পৰিস্থিতিৰ ওপৰত জিলা প্ৰশাসনে সতৰ্ক দৃষ্টি ৰাখিব বুলি তেওঁ মন্তব্য কৰে।

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই কালি **নগাঁও** জিলাৰ কলিয়াবৰ সমষ্টিৰ বান ক্ষতিগ্ৰস্ত কেইবাটাও অঞ্চল পৰিদৰ্শন কৰে। তেওঁ ক্ষতিগ্ৰস্ত লোকসকলক সাক্ষাৎ কৰি তেওঁলোকক প্ৰয়োজনীয় সহায় আগবঢ়োৱাৰ আশ্বাস দিয়ে। মন্ত্ৰীগৰাকীয়ে সমষ্টিটোৰ ভূৰবন্ধা, শালনাৰ লগতে কেইবাটাও অঞ্চল পৰিদৰ্শন কৰে। **ডিব্ৰুগড়** জিলাত বান পৰিস্থিতি এতিয়াও জটিল হৈ আছে। কালি জিলাখনৰ পানীতোলা পশু চিকিৎসালয়ৰ পৰা দধিয়ালৈ পশু খাদ্য দিবলৈ যোৱা চিকিৎসা কৰ্মীৰ এটা দল পানীৰ মাজত আবদ্ধ হৈ পৰে। প্ৰশাসনে দলটোক উদ্ধাৰৰ বাবে অভিযান অব্যাহত ৰাখিছে। **যোৰহাট** জিলাতো বিভিন্ন

অঞ্চল প্লাৱিত হৈ আছে। **গোলাঘাটত** কমেও ৬০ খন গাঁও সাম্প্ৰতিক বানত প্লাৱিত হৈছে। ইয়াৰ ফলত জিলাখনৰ ১৫ হাজাৰৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। বোকাখাতত মুকলি কৰা আশ্ৰয় শিবিৰত বহু লোকে আশ্ৰয় লৈ আছে।

ইপিনে, ডিব্ৰুগড় জিলাৰ চাবুৱা ৰাজহ চক্ৰৰ অন্তৰ্গত বালিজান, ৰহমৰীয়া আৰু বিন্ধাকটাৰ টেঙাবাৰী মিৰিগাঁৱত ব্ৰহ্মপুত্ৰৰ খহনীয়াই অঞ্চলটোৰ বাসিন্দাসকলৰ জীৱন আৰু সা-সম্পত্তিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। টেঙাবাৰীৰ মিৰিগাঁৱত পেভাৰ ব্লকৰ পথটো ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে তদুপৰি কেইবাটাও পৰিয়ালৰ বাসগৃহ, দুটা ধৰ্মীয় অনুষ্ঠানকে ধৰি বিভিন্ন অঞ্চল খহনীয়াত জাহ গৈছে।

চৰকাৰী কাৰ্যসূচীৰে সম্প্ৰতি ন'ৰ্ৱেত থকা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে ফোনযোগে বাৰ্তালাপ কৰি ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতিৰ বুজ লয়। তেওঁ ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ বান আৰু খহনীয়া সম্পৰ্কে আলোচনা কৰি ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বুজ লোৱাৰ লগতে ৰাজ্যৰ বান ক্ষতিগ্ৰস্ত জনসাধাৰণৰ সহায়ৰ বাবে হাত আগবঢ়াব বুলি প্ৰকাশ কৰাৰ কথা মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে উল্লেখ কৰে।

**কামৰূপ** জিলাৰ বিভিন্ন অঞ্চল সাম্প্ৰতিক বানত প্লাৱিত হৈছে। জিলাখনৰ বান পৰিস্থিতি সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা কৌশিক দাস – **ৰাইট**

ধাৰাসাৰ বৰষুণৰ ফলত **ডিমা হাচাও** জিলাৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ হাৰাংগাজাও এলেকাত হোৱা ভূমিস্খলনৰ বাবে জাতিংগা আৰু শিলচৰ সংযোগী পথত বয়বস্তু পৰিবাহী কেইবাখনো ট্ৰাক বিগত কিছুদিন ধৰি আবদ্ধ হৈ আছে। ৰাষ্ট্ৰীয় ঘাইপথটোৰ কেইবাটাও অংশ খহি যোৱাৰ লগতে বোকাময় হৈ পৰাত এই বাহনসমূহে পথটো অতিক্ৰম কৰাত ভীষণ অসুবিধাৰ সন্মুখীন হয়। প্ৰতিকুল পৰিস্থিতিক নেওচি ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে পথটো মুকলি কৰিবলৈ অহৰহ চেষ্টা চলাই আছে। পথটোৰে চেগা চোৱোকাকৈ দুই-এখন লঘু যানবাহন যোৱাৰ অনুমতি দিয়া হৈছে। প্ৰশাসনে পৰিস্থিতি নিৰীক্ষণ কৰি থকাৰ লগতে আবদ্ধ হৈ থকা ট্ৰাকৰ চালকসকলক প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰিছে। অৱশ্যে হাফলং-লামডিং আৰু হাফলং-লংকা সংযোগী পথৰ কোনো ক্ষতি হোৱা নাই আৰু পথ দুটাৰে যানবাহনৰ চলাচল অব্যাহত আছে।

০০০০০০

ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অধিকাংশ প্লাবিত কৰিছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ ঘাঁহনি অঞ্চলসমূহ পানীত বুৰ যোৱাত পহু, গঁড়, হাতীকে ধৰি অন্যান্য জীৱ-জন্তুৱে বানৰ পৰা ৰক্ষা পোৱাৰ লগতে খাদ্যৰ সন্ধানত ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰা পৰিলক্ষিত হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ মাজেৰে যোৱা ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সমগ্ৰ অংশটোৰ চাৰিওকাষে পানী বিপদসীমাৰ ওপৰত থকাৰ পৰিপ্ৰেক্ষিতত কলিয়াবৰ সমজিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশ আৰু সমজিলা আয়ুক্তই বন্যপ্ৰাণী সুৰক্ষা তথা জনসাধাৰণৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি এটা নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে চলাচল কৰা বাহনৰ গতিবেগ প্ৰতিঘণ্টাত ৪০ কিলোমিটাৰতকৈ অধিক হ'ব নোৱাৰিব। একেদৰে এনিমেল কৰিডৰত পাঁচজনতকৈ অধিক লোক সমবেত হোৱাত নিষেধাজ্ঞা জাৰি কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ মাজত গধূৰ বাহন ৰখোৱাৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। তদুপৰি কলিয়াবৰ সমজিলাৰ অধীনত এনিমেল কৰিডৰসমূহত নিশাৰ ভাগত উজ্বল লাইটৰ ব্যৱহাৰ আৰু উচ্চ প্ৰাবল্যত গান বা গাড়ীৰ হৰ্ন বজোৱাত কঠোৰভাৱে নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

০০০০০০

ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ অনুসৰি ৰাজ্যৰ ১০৫ খন প্ৰাথমিক বিদ্যালয়ত কালি ৰাভা ভাষাৰ মাধ্যম প্ৰৱৰ্তন কৰা হয়। গোৱালপাৰা জিলাৰ বালিজানা শিক্ষাখণ্ডৰ অন্তৰ্গত কুৰুৱাভাষা বাইদামবুড়ি প্ৰাথমিক বিদ্যালয়ত কালি কেন্দ্ৰীয়ভাৱে আয়োজিত অনুষ্ঠানত ৰাভা ভাষাৰ মাধ্যম প্ৰৱৰ্তনৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে নিখিল ৰাভা সাহিত্য সভাৰ সভাপতি অমৰ সিংহ কোচৰ সভাপতিত্বত আয়োজিত অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই মাধ্যম প্ৰৱৰ্তনৰ শুভাৰম্ভ কৰে। নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে ৰাভা জনগোষ্ঠীক অভিনন্দন জনাই জনগোষ্ঠীটোৰ কাৰণে এই দিনটো স্মৰণীয় হৈ ৰ'ব বুলি উল্লেখ কৰে। মাতৃভাষাৰ মাধ্যমত শিক্ষা প্ৰদানৰ বিষয়টো ভাৰতীয় সংবিধানত উল্লেখ আছে যদিও ইমানদিনে সেয়া সম্ভৱ হৈ উঠা নাছিল বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ প্ৰণয়নৰ পাছত এয়া সম্ভৱ হৈ উঠিছে বুলি উল্লেখ কৰি ৰাভা ভাষাৰ মাধ্যম প্ৰৱৰ্তন কৰাৰ লগে লগে ভাষাটোৰ প্ৰচাৰ, প্ৰসাৰ আৰু সংৰক্ষণৰ ক্ষেত্ৰত অধিক সুবিধা হ'ব বুলি তেওঁ উল্লেখ কৰে।

**বাইট**

কালিৰ অনুষ্ঠানত ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা, নিখিল ৰাভা ছাত্ৰ সন্থাৰ সভাপতি মতিলাল ৰাভাৰ উপৰি ৰাভা জনগোষ্ঠীয় কেইবাটাও সংগঠনৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০০

ড০ ভূপেন হাজৰিকাৰ বছৰজোৰা জন্ম শতবাৰ্ষিকী উদযাপন সন্দৰ্ভত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সভাপতিত্বত মূল সমিতিৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হ'ব। দিছপুৰৰ লোকসেৱা ভৱনত দিনৰ চাৰে ১১ বজাত বৈঠক অনুষ্ঠিত হ'ব। বৈঠকত কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা। উল্লেখযোগ্য যে অহা ৮ ছেপ্তেম্বৰত বিশ্ববৰেণ্য শিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰিব বুলি ইতিমধ্যে মুখ্যমন্ত্ৰী ড০ শৰ্মাই নিশ্চিতি দিছে।

০০০০০০

সমগ্ৰ শিক্ষা অসমে কাইলৈ বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি **এক পেড় মা কে নাম** কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায়ৰ অধীনত বিদ্যালয়সমূহত গছপুলি ৰোপণৰ বাবে আহ্বান জনাইছে। এই অনুসৰি প্ৰতিখন বিদ্যালয়ে কমেও পাঁচটাকৈ গছপুলি ৰোপণ কৰিব লাগিব। অহা ৩০ ছেপ্তেম্বৰলৈকে চলিবলগীয়া এই কাৰ্যসূচীৰ অধীনত প্ৰতিখন বিদ্যালয়ে কমেও ৭০টাকৈ গছপুলি ৰোপণ কৰিব লাগিব। গছপুলিসমূহ বিদ্যালয়ৰ শিক্ষাৰ্থী আৰু তেওঁলোকৰ মাতৃসকলে একেলগে ৰোপণ কৰিব লাগিব আৰু গছপুলি ৰোপণৰ এখনকৈ ছেল্ফি ECOCLUBS.EDUCATION.GOV.IN ত আপলোড কৰিব লাগিব।

উল্লেখযোগ্য যে মাতৃ আৰু প্ৰকৃতিৰ প্ৰতি ভালপোৱা আৰু সন্মানৰ চিন স্বৰূপে নাগৰিকসকলক এজোপাকৈ গছপুলি ৰোপণৰ বাবে উৎসাহিত কৰাৰ উদ্দেশ্যে সমগ্ৰ দেশজুৰি কাইলৈ বিশ্ব পৰিৱেশ দিৱসৰ দিনটোত **এক পেড় মা কে নাম**ৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ৰাষ্ট্ৰজোৰা অভিযান আৰম্ভ কৰা হ'ব।

০০০০০০

বিশ্ব পৰিৱেশ দিৱস উপলক্ষে আকাশবাণী গুৱাহাটীৰ উদ্যোগত কাইলৈ পি এম শ্ৰী দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত বিদ্যালয়খনৰ প্ৰাংগণত দিনৰ ১১ বজাত গছপুলি ৰোপণ আৰু পৰিৱেশ সজাগতা সম্পৰ্কীয় বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে বিদ্যালয়খনৰ পঞ্চমৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ সজাগতা আৰু প্লাষ্টিক প্ৰদূষণ ৰোধ সম্পৰ্কে ছবি আঁকা প্ৰতিযোগিতা

অনুষ্ঠিত হ'ব। লেখক, কেৰিয়াৰ পৰামৰ্শদাতা শৈলেন বৈশ্যৰ পৰিচালনাত নৰমৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ সম্পৰ্কীয় কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত বিশিষ্ট পৰিৱেশ কৰ্মী, অসম গৌৰৱ সন্মানেৰে বিভূষিত নেচাৰ্ছ বেকনৰ সঞ্চালক সৌম্যদীপ দত্তই বিশ্বজুৰি প্লাষ্টিক প্ৰদূষণ ৰোধ আৰু পৰিৱেশ সজাগতা সন্দৰ্ভত ভাষণ দিব। বিদ্যালয়খনৰ জীৱ বিজ্ঞানৰ স্নাতকোত্তৰ শিক্ষয়িত্ৰী চন্দনা কলিতাই প্লাষ্টিক প্ৰদূষণ ৰোধ বিষয়ক ভাষণ আগবঢ়াব। আকাশবাণী গুৱাহাটীয়ে কাইলৈ দিনৰ ১১ বাজি ১৫ মিনিটৰ পৰা এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰিব।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমবাৰৰ বাবে খিতাপ জয় কৰিছে। যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত বেংগালুৰুৱে পাঞ্জাব কিংছক ৬ ৰানত পৰাস্ত কৰে। প্ৰথমবাৰৰ বাবে আই পি এলৰ খিতাপ জয় কৰি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ অধিনায়ক ৰজত পাটিদাৰে কয়, যে বিৰাট কোহলী আৰু হাজাৰ হাজাৰ অনুৰাগী এই জয়লাভৰ প্ৰাপ্য আছিল। তেওঁ লগতে প্ৰতিগৰাকী খেলুৱৈকে সমৰ্থন কৰা দলৰ প্ৰশিক্ষক তথা অন্যান্য সহযোগীসকলক ধন্যবাদ জ্ঞাপন কৰে।

ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৯০ ৰান সংগ্ৰহ কৰে। বিৰাটো কোহলীয়ে সৰ্বাধিক ৪৩ ৰান কৰাৰ লগতে পাটিদাৰে ২৬ ৰানৰ বৰঙণি আগবঢ়ায়। পাঞ্জাবৰ হৈ অৰ্শ্বদীপ সিং আৰু কাইল জেমিছনে তিনিটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত পাঞ্জাব কিংছে নিৰ্ধাৰিত ২০ অভাৰত ১৮৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। শশাংক সিঙে ৬১ ৰান কৰি আউট নোহোৱাকৈ থাকে। বেংগালুৰুৰ হৈ ক্ৰুনাল পাণ্ডিয়াই ৪ অভাৰত মাত্ৰ ১৭ ৰান দিয়াৰ লগতে দুটাকৈ গুৰুত্বপূৰ্ণ উইকেট দখল কৰে। পাণ্ডিয়াক তেওঁৰ সুন্দৰ বলিঙংৰ বাবে প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

গুজৰাট টাইটানছৰ ছাই সুদৰ্শনে এই বছৰৰ আই পি এল প্ৰতিযোগিতাত সৰ্বাধিক ৰান কৰাৰ বাবে **অৰেঞ্জ কেপ** লাভ কৰে। আনহাতে একেটা দলৰে প্ৰসিদ্ধ কৃষ্ণাই সৰ্বাধিক উইকেট দখল কৰাৰ বাবে **পাৰ্পল কেপ** অৰ্জন কৰে। মুম্বাই ইণ্ডিয়ানছৰ সূৰ্য কুমাৰ যাদৱলৈ সমগ্ৰ টুৰ্ণামেণ্টখনত অনবদ্য বেটিং কৰাৰ বাবে **ম'ষ্ট ভেলুৱেবল প্লেয়াৰ**ৰ বঁটা আগবঢ়োৱা হয়।

০০০০০০

**ৰাজ্যৰ বান পৰিস্থিতি আজিও অপৰিৱৰ্তিত হৈ আছে। এই পৰ্যন্ত ৰাজ্যৰ ২১খন জিলাৰ ৬লক্ষাধিক লোক বানত আক্ৰান্ত হৈছে। দৈনিক জনমভূমি কাকতে ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতি সন্দৰ্ভত তথ্যসমৃদ্ধভাৱে যুগুতোৱা এটা বাতৰি মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে। অসমৰ বান পৰিস্থিতি সম্পৰ্কে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰে ফোনযোগে বাৰ্তালাপ কৰে আৰু সাহাৰ্য, উদ্ধাৰ অভিযানত কেন্দ্ৰই সকলো সহযোগীতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। অসমীয়া প্ৰতিদিন কাকতে এই বাতৰিটোক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মা কামাখ্যা মন্দিৰত পূজা-অৰ্চনা কৰাৰ পাছতেই কালি কংগ্ৰেছ নেতা গৌৰৱ গগৈয়ে জ্যেষ্ঠ নেতৃবৰ্গক সন্মুখত লৈ ৰাজীৱ ভৱনত আনুষ্ঠানিকভাৱে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ দায়িত্বভাৰ গ্ৰহণ কৰে। দায়িত্ব লৈয়ে ৰাজ্যবাসীৰ পৰা সহায় সহযোগীতা বিচৰাৰ লগতে দলীয় নেতা কৰ্মীক নিষ্ঠাৰে কাম কৰিবলৈ গৌৰৱ গগৈয়ে আহ্বান জনাইছে। দৈনিক অগ্ৰদূত, অসমীয়া খবৰ,** THE SENTINEL, THE ASSAM TRIBUNE কাকতৰ লগতে প্ৰায়কেইখন কাকতেই

এই বাতৰিটোক আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত স্থান দিছে। সোমবাৰে লখিমপুৰৰ আমতলাত ভগ্ন মথাউৰি পৰিদৰ্শন কৰি আৱদ্ধ পানী চেনেল কাটিং পদ্ধতিৰে তাৎক্ষণিকভাৱে মোকলাই দিবলৈ জলসম্পদ বিভাগক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়াৰ পাছতেই কালি সংশ্লিষ্ট কৰ্তৃপক্ষই যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰে। **নিয়মীয়া বাৰ্তা** কাকতত প্ৰকাশিত এই বাতৰিটোৰ শিৰোনাম- লখিমপুৰবাসীক কথা দি কথা ৰাখিলে মুখ্যমন্ত্ৰীয়ে, চেক বান্ধ কাটি উলিয়াই দিলে ৰঙানদীৰ আৱদ্ধ পানী। মহাবাহু ব্ৰহ্মপুত্ৰক লৈ চীনে প্ৰদান কৰি অহা ভয়-ভাবুকি অমুলক বুলি কোৱাৰ লগতে দেশখনৰ ষড়যন্ত্ৰ সম্পূৰ্ণৰূপে নস্যাত্ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি ফেচবুকত এটা পোষ্ট দিয়া বাতৰিটোক **অসমীয়া খবৰ** কাকতে আজি মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে।

০০০০০০

তেজপুৰৰ লিচুয়ে এশ বছৰ সম্পূৰ্ণ কৰাৰ উপলক্ষে কালি তেজপুৰ ৰেডক্ৰছ ছ'চাইটিৰ সভাগৃহত লিচু উৎসৱ অনুষ্ঠিত কৰা হয়। তেজপুৰ পৌৰসভাৰ প্ৰথমগৰাকী অসমীয়া পৌৰপতি পদ্মনাথ গোহাঁই বৰুৱাই ১৯২২ চনত পল্টন পুখুৰীৰ পাৰত লিচু গছ ৰোপণেৰে এই যাত্ৰা আৰম্ভ কৰিছিল। কালিৰ সভাত শোণিতপুৰ জিলা আয়ুক্তই তেওঁৰ ভাষণত কয়, যে বৰ্তমান জিলাখনত ৭০ গৰাকী খেতিয়ক সক্ৰিয়ভাৱে লিচু খেতিৰ সৈতে জড়িত হৈ আছে আৰু প্ৰায় ৩০০ বিঘা মাটিত লিচু খেতি কৰা হৈছে। অনুষ্ঠানত তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ প্ৰীতম দেৱে তেজপুৰৰ লিচুৰ জি আই টেগৰ ধাৰা অক্ষুণ্ণ ৰাখি ইয়াক পৰ্যটনৰ সৈতে সংযোগ কৰাৰ বিষয়ত গুৰুত্ব আৰোপ কৰে। এই অনুষ্ঠানতে লিচুৰ বিভিন্ন প্ৰজাতিৰ প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, জিলা কৃষি তথা নাবাৰ্ডৰ বিষয়াসকলে লিচু খেতি আৰু ব্যৱসায়ৰ উন্নয়নৰ বাবে নিজ নিজ ক্ষেত্ৰত গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে অৱগত কৰে।

০০০০০০

গোলাঘাট জিলাৰ বৃহত্তৰ মৰঙী অঞ্চলৰ দৈগ্ৰোঙৰ বাসিন্দা সমাজকৰ্মী, শিক্ষাবিদ, প্ৰবীণ বাওঁপন্থী নেতা তথা অসম সাহিত্য সভাৰ আজীৱন সভ্য পদ্মেশ্বৰ বৰাৰ আজি পুৱা গোলাঘাটৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৰঙী আঞ্চলিক জ্যেষ্ঠ নাগৰিক সন্মিলনীৰ দায়িত্ব বহন কৰা বৰাৰ মৃত্যুত বিভিন্ন দল-সংগঠন আৰু ব্যক্তিবিশেষে গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে। এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত